জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১২১/২০২২**

# গ্ৰেপ্তাৰ হোৱা চাকৰিপ্ৰাৰ্থীসকলক শীঘ্ৰে মুকলি কৰাৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## সমগ্ৰ বিষয়টো মানৱীয়তাৰ দৃষ্টিভংগীৰে ল'বলৈ মুখ্যমন্ত্ৰীৰ আদেশ

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** যোৱা ১৯ এপ্ৰিলত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত আৰক্ষী নিযুক্তি পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণা কৰিবলৈ দাবী জনাই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা ৩৬ গৰাকী চাকৰিপ্ৰাৰ্থীৰ বিষয়টো মানৱীয়তা তথা সহানুভূতিৰ দৃষ্টিভংগীৰে বিবেচনা কৰি তেওঁলোকৰ মুকলিৰ বাবে যথাযথ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক নিৰ্দেশ দিছে ।

উল্লেখ্য যে গুৱাহাটীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণা কৰাৰ দাবীৰে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ পৰিপ্ৰেক্ষিতত ৩৬ গৰাকী চাকৰিপ্ৰাৰ্থীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সমগ্ৰ বিষয়টোত হস্তক্ষেপ কৰি এই চাকৰিপ্ৰাৰ্থীসকল যাতে শীঘ্ৰে মুকলি হয় সেই দিশত যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে ।

**সুঃদঃ / নিঃকুঃদাঃ**
**২৫-০৪-২০২২**